# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

Date : 30-03-2026 **Time :** 05.15 Hrs.

## HEADLINES (1715 PM)

:::::::::::::::::::

১। নমো এপ্‌ৰ মাধ্যমেৰে **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত অসমৰ বিজেপি কৰ্মীক উদ্দেশ্যি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণ।

২। ৰাজ্যত বিধানসভা নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ অভিযান।

৩। ৰাজ্যজুৰি জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ লোকৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ।

**আৰু**

৪। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ প্ৰথমটো শুনানি সম্পন্ন। ০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আসন্ন বিধানসভা নিৰ্বাচনৰ পূৰ্বে তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ মনোবল বৃদ্ধি কৰাৰ উদ্দেশ্যে আজি নমো এপ্‌ৰ মাধ্যমেৰে মেৰা বুথ সবচে মজবুত কাৰ্যসূচীৰ অধীনত অসমৰ দলীয় কৰ্মীসকলক উদ্দেশি ভাষণ দিয়ে। বিগত এটা দশকত অসমৰ ৰূপান্তৰৰ বিষয়ে আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাজ্যখনে বিভিন্ন ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিয়ে এন ডি এৰ দ্বৈত ইঞ্জিনযুক্ত চৰকাৰ আৰ্হিৰ সফলতাকে প্ৰতিফলিত কৰে। অসমৰ জনসাধাৰণ আৰু পাঁচ বছৰৰ বাবে এন ডি এ মিত্ৰজোঁটলৈ সমৰ্থন আগবঢ়াই উন্নয়নৰ এই যাত্ৰা অব্যাহত ৰাখিবলৈ সাজু বুলি তেওঁ আস্থা প্ৰকাশ কৰে। বিজেপি চৰকাৰৰ সাফল্যৰ বিষয়ে আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে অসম বিগত ১০ বছৰত সন্ত্ৰাসবাদৰ পৰা মুক্ত হৈছে আৰু ৰাজ্যখনত বিভিন্ন ক্ষেত্ৰত ন-ন সুযোগৰ সৃষ্টি হৈছে। তেওঁ লগতে কংগ্ৰেছে ইয়াৰ শাসন কালত শান্তি-শৃংখলা বৰ্তাই ৰখাত ব্যৰ্থ হোৱা বুলি অভিযোগ তোলে। কংগ্ৰেছৰ শাসন কালত শান্তি-শৃংখলাজনিত পৰিস্থিতিৰ বাবে ৰাজ্যখনৰ ভালেসংখ্যক যুৱক-যুৱতীয়ে প্ৰাণ হেৰুৱাবলগীয়া হৈছিল বুলি তেওঁ মন্তব্য কৰে। বড়ো শান্তি চুক্তি সম্পাদনৰ পাছত হোৱা উন্নয়নৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অঞ্চলটোৰ ভালেসংখ্যক যুৱক-যুৱতীয়ে সংঘৰ্ষৰ পৰিৱৰ্তে প্ৰগতিৰ পথ বাছি লৈছে আৰু সুস্থিৰতাৰ পৰিবেশৰ বাবে শিক্ষা, কৰ্মসংস্থাপন আৰু উদ্যমশীলতাৰ ক্ষেত্ৰত সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে বিত্তীয় সাহায্য, সুলভ স্বাস্থ্য সেৱা, গৃহ নিৰ্মাণ, শিক্ষা আৰু ভূমি পট্টা প্ৰদানকে ধৰি অসমৰ চাহ শ্ৰমিকসকলৰ জীৱনৰ মান উন্নত কৰাৰ বাবে এন ডি এ চৰকাৰে লোৱা বিভিন্ন ব্যৱস্থাৰ বিষয়ে আলোকপাত কৰে। বি জে পি চৰকাৰে অসমত অনুপ্ৰবেশকাৰীৰ সমস্যা নিয়ন্ত্ৰণৰ উদ্দেশ্যে ভালেমান পদক্ষেপ লৈছে আৰু অনাগত সময়তো এনে প্ৰচেষ্টা অব্যাহত থাকিব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

ইপিনে, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সামাজিক মাধ্যম গোটৰ অধ্যক্ষা সুপ্ৰিয়া শ্ৰীনেটে অনাগত দিনত দলটোৱে তথ্য আৰু পৰিসংখ্যাৰ ভিত্তিত ৰাজ্য চৰকাৰখনৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ উদঙাই দিব বুলি প্ৰকাশ কৰে।

গুৱাহাটীত আজি এখন সংবাদ মেলত শ্ৰীনেটে কয় যে দলটোৱে ভৱিষ্যতে সংবাদ মেলৰ শৃংখলাৰ জৰিয়তে প্ৰতিদিনে চৰকাৰৰ দুৰ্নীতি আৰু অনিয়মৰ কথা সদৰি কৰিব।

০০০০০

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি জাগীৰোড আৰু বোকাখাতত প্ৰচাৰ চলায়। তেওঁ জাগীৰোডৰ দেওশালত বিজেপি প্ৰাৰ্থী তথা মন্ত্ৰী পীযুষ হাজৰিকাৰ হৈ আৰু বোকাখাটত অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ সভাত অংশ লয়। সভাপতিগৰাকীয়ে আজি গোলাঘাট জিলাৰ বোকাখাটত অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থী অতুল বৰাৰ হৈ প্ৰচাৰ চলোৱাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে সভাত উপস্থিত হ'ব নোৱাৰিলে। তেওঁ দলৰ ৰাষ্ট্ৰীয় উপ-সভাপতি বৈজয়ন্ত জয় পাণ্ডাৰ উপস্থিতত টেলিফোনিক বাৰ্তাৰে জনসাধাৰণক সম্বোধন কৰে। এই সভাত কলিয়াবৰৰ অগপ প্ৰাৰ্থী কেশৱ মহন্ত, ছত্তিশগঢ়ৰ বিত্তমন্ত্ৰী ওম প্ৰকাশ চৌধুৰীকে ধৰি ভালেসংখ্যক শীৰ্ষ নেতা উপস্থিত থাকে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মাজুলীৰ গড়মূৰৰ মিনি ষ্টেডিয়ামত বিজয় সংকল্প সভাত অংশ লয় আৰু এন ডি এ সমৰ্থিত প্ৰাৰ্থী ভুবন গামৰ হৈ প্ৰচাৰ চলায়। তেওঁ লগতে নাওবৈচা আৰু চিচিবৰগাঁৱত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। সন্ধিয়ালৈ তেওঁ ডিব্ৰুগড়ত এটা ৰোড শ্ব'ত ভাগ ল'ব। মাজুলীত জনসাধাৰণক সম্বোধি ড০ শৰ্মাই এইদৰে কয়-

(বাইট)

বাক্সা জিলাৰ চৰাইমাৰীত আজি বাক্সা সমষ্টিৰ এন ডি এ সমৰ্থিত প্ৰাৰ্থী বি পি এপৰ মনেশ্বৰ ব্ৰহ্মই প্ৰচাৰ চলায়।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি ৫টা প্ৰতিশ্ৰুতিৰে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে। কংগ্ৰেছ দলৰ নেতা দেবব্ৰত শইকীয়াই নাজিৰা সমষ্টিত প্ৰচাৰ অব্যাহত ৰাখিছে। একেদৰে দলৰ নেতা ৰিপুণ বৰাই বৰছলা পুঠিমাৰী অঞ্চলত প্ৰচাৰ কাৰ্য্যসূচী ৰূপায়ন কৰে। বিৰোধী ঐক্যৰ প্ৰাৰ্থী লুৰিণ জ্যোতি গগৈয়ে খোৱাং সমষ্টিৰ দুলীয়া কাকতি মণ্ডল আৰু বৰবৰুৱা মণ্ডলত প্ৰচাৰ চলায়। ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে আজি শিৱসাগৰ সমষ্টিত নামতি আলি পঞ্চায়তত বিৰোধী মিত্ৰজোঁটৰ নিৰ্বাচনী প্ৰচাৰত অংশ গ্ৰহণ কৰে।

**A I M I M** দলৰ সভাপতি আছাদুদ্দিন ওৱেইছীয়ে অহা ২ এপ্ৰিলত ৰূপহীহাট, চামগুৰি, দ'লগাওঁ, ধিং, লাহৰীঘাটত আৰু ৩ এপ্ৰিলত বিন্নাকান্দি, গোৱালপাৰা পূৱ, ধুবুৰী, চেঙা আৰু মন্দিয়াত এ আই ইউ ডি এফৰ হৈ প্ৰচাৰ চলোৱাৰ কথা।

০০০০০

ৰাজ্যজুৰি জ্যেষ্ঠ নাগৰিকৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই প্ৰক্ৰিয়াৰ অংশ হিচাপে নিৰ্বাচনী বিষয়া-কৰ্মচাৰীয়ে জ্যেষ্ঠ নাগৰিকৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰিছে। বিশেষভাৱে সক্ষম ভোটদাতাৰ ঘৰতো ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। বৰপেটা আৰু বঙাইগাঁও জিলাতো ঘৰে ঘৰে গৈ ৮৫ বছৰ উৰ্ধৰ আৰু দিব্যাংগ লোকৰ ভোটদান প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। বৰপেটাত বিশেষভাৱে গঠিত ২২টা ভোটগ্ৰহণকাৰী দল মাধৱ চৌধুৰী মহাবিদ্যালয়ত স্থাপন কৰা ইভিএম বিতৰণ কেন্দ্ৰ পৰা ৰাওনা হয়। বিয়লি তেওঁলোকে প্ৰথম দিনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া সমাপ্ত কৰি পুনৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ উভতি আহে। বৰপেটা নিৰ্বাচনী জিলাৰ চাৰিটা বিধানসভা সমষ্টি ক্ৰমে বৰপেটা, চেঙা, মন্দিয়া আৰু পাকাবেতবাৰীত মুঠ ৫৫৭গৰাকী ভোটাদাতাৰ ঘৰত ভোটগ্ৰহণ কৰা হ'ব বুলি জিলা নিৰ্বাচনী বিষয়াই সদৰি কৰে।

0000000

JUBIN GARG /PTC (30-03-2026) EVE

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ আজি প্ৰথমটো শুনানি আজি অনুষ্ঠিত হয়। প্ৰথমটো শুনানিত ৰাজ্য চৰকাৰৰ হৈ প্ৰতিনিধিত্ব বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে গোচৰটোৰ বৰ্তমানৰ স্থিতিৰ বিষয়ে আদালতৰ সন্মুখত বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। ইয়াৰ পাছতে অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ বিৰুদ্ধে আৰোপ কৰা গোচৰৰ ধাৰাৰ পৰা ৰেহাই বিচাৰি দাখিল কৰা আবেদনৰ সপক্ষে অধিবক্তা আনন্দ কুমাৰ ভূঞাই যুক্তি প্ৰদৰ্শন কৰে। অমৃতপ্ৰভা মহন্তৰ অধিবক্তাৰ যুক্তিৰ পাছত আদালতে কাইলৈ পুৱাৰ ভাগত অভিযুক্ত শ্যামকানু মহন্ত আৰু বিয়লিৰ ভাগত সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাই যুক্তি প্ৰদৰ্শন কৰিব। ইপিনে, অভিযুক্ত নন্দেশ্বৰ বৰাই বিশেষ তদন্তকাৰী গোটে জব্দ কৰা তেওঁৰ মোবাইল ফোনটো জিম্মাত বিচাৰি আদালতত এখন আবেদন দাখিল কৰে। কিন্তু বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে সংশ্লিষ্ট ফোনটো তথ্য প্ৰমাণৰ এটা গুৰুত্বপূৰ্ণ সমল বুলি যুক্তি দৰ্শাই এনে আবেদনৰ বিৰোধিতা কৰে। পাছত আদালতে উভয় পক্ষৰ যুক্তি শুনি অভিযুক্ত নন্দেশ্বৰ বৰাই নিজৰ মোবাইল ফোনটো জিম্মাত বিচাৰি দাখিল কৰা আবেদনখন নাকচ কৰে। আজিৰ আদালতৰ শুনানি প্ৰক্ৰিয়াত উপস্থিত থকা জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে ফাষ্ট ট্ৰেক আদালতত আজিৰে পৰা চলা গোচৰটোৱে আশাৰ ৰেঙণি কঢ়িয়াই আনিছে বুলি মন্তব্য কৰে।

বাইট (গৰিমা শইকীয়া গাৰ্গ)

0000000

ৰাজ্যত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন জিলা প্ৰশাসনে ভোটগ্ৰহণ সুকলমে অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। জিলাই জিলাই প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ চলি থকাৰ লগতে বিভিন্ন সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হৈছে।

চিৰাঙত আজি সাধাৰণ নিৰ্বাচন পৰ্যবেক্ষকে নিৰ্বাচনী বিষয়া-কৰ্মীসকলৰ প্ৰশিক্ষণ কেন্দ্ৰ পৰিদৰ্শন কৰে আৰু নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লয়। পৰিদৰ্শন কালত পৰ্যবেক্ষকগৰাকীয়ে বিষয়া আৰু প্ৰশিক্ষকসকলৰ সৈতে মত বিনিময় কৰে আৰু সামৰ্থ্য বৃদ্ধিৰ বাবে লোৱা ব্যৱস্থা মূল্যায়ন কৰে।

যোৰহাটত আজি নিৰ্বাচনী প্ৰস্তুতিৰ অংশ হিচাপে ডি চি বি বালিকা মহাবিদ্যালয় আৰু চি কে বি বাণিজ্য মহাবিদ্যালয়ত প্ৰথম স্তৰৰ নিৰ্বাচনী বিষয়াসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। প্ৰশিক্ষণস্থলীত

বিশেষকৈ প্ৰথমবাৰৰ বাবে নিৰ্বাচনী দায়িত্ব লাভ কৰা বিষয়াসকলৰ ব্যৱহাৰিক জ্ঞান আৰু সজাগতাৰ বাবে এটা নমুনা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হয়। কেন্দ্ৰটোৰ জৰিয়তে বিষয়াসকলক নিৰ্বাচনৰ দিনা পালন কৰিবলগীয়া দায়িত্ব আৰু প্ৰক্ৰিয়াসমূহৰ প্ৰত্যক্ষ অভিজ্ঞতা প্ৰদান কৰা হয়।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooooo